REFERENCE
(Not for Issue)

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME III

## No. 5

13 th November 1970

1988

PRINTED AT THE PAPLOO PRINTERS
JORHAT

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### WINTER SESSION

### VOLUME III

### NO. 5

The 13th November 1970

**Proceedings of The Tenth Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong, at 9 A.M. on Friday the 13th November 1970.

PRESENT

Shri Mohi Kanta Das, M. A., B. L., Speaker, in the Chair, Fifteen Ministers, Seven Ministers of State, three Deputy Ministers and Seventy Nine Members.

## Re: Question Position during the Session.

M. Shamsul Huda: আমাৰ আগৰ প্ৰশ্ন বিলাক কি হ'ল কব নোৱাৰিলোঁ। এই বিধানসভা চেক্ৰেটৰীয়েটত কি হৈছে নাজানো। প্ৰশ্ন বিলাকৰ কি বেমাৰ লাগিছে কব নোৱাৰো। পঠোৱাতো দেৰী হোৱা নাছিল যথেষ্ট সোণকালেই পঠাইছিলো। কিন্তু প্ৰশ্ন বিলাক কিয় নাহে কোনেও গম পোৱা নাই। গতিকে আপোনাক অনুৰোধ কৰিলো যাতে প্ৰশ্নবিলাক সোণকালে অহাৰ ব্যৱস্থা কৰে।

Shri Kamini Mohan Sarma: অধ্যক্ষ মহোদয় যোৱা বাজেট অধিবেশনত প্ৰশ্ন দিছিলো কিন্তু বাস্তৱত দেখিছো আমি দিয়া প্ৰশ্ন বিলাক নাহে। আমি বিধানসভাৰ অধিবেশন হব বুলি Notice পায়েই প্ৰশ্ন দিছিলো কিন্তু এটা প্ৰশ্নও নাহিল। আমি বোধকৰো চৰকাৰক সহায় কৰিবলৈকেই বিধানসভা সচিবালয়ে এনেখন কৰিছে। গতিকে অধ্যক্ষ মহোদয়, আপোনাক অনুৰোধ কৰো যাতে এনে বিলাক কথাত নজৰ দিয়ে।

Shri Dulal Chandra Barua: Sir, Sir.....it is something cronic deases. Alwayas we are requested through you to the Government to expedite the replies of the questions. In this connection Government also assured us. Therefore unless we get assurances from the honourable Chief Minister how can we prcceed in the Assembly businesses. The replies comming from district offices, that is another thing. But here Secretariat question are not comming up timely. Therefore, I draw the attention of you as well as the honourable Chief Minister about this matter. This Govern-

ment have also a Parliamentary Affairs Cell. It is the duty of the Parliamentary Affairs cell. This cell is running without any work.

Mr. Speaker : Chief Minister will say.

Shri Mohandra Mohan Choudhury, (Chief Minister): I shall look into.

## The Assam Fixation Ceiling On Land Holdings (Amendment) Bill 1970

Mr. Speaker : Item No. 1 (a) Consideration of the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1970, clause by clause.

Shri Kabir Chandra Roy Pradhani : মাননীয় অধ্যক্ষ মহোদয়, মই চিলিং আইনৰ Amendment সম্পৰ্কত কেইটামান কথা কব খুজিছো। ২৫ percent মাটি চাহ বাগানৰ মালিকসকলৰ কাৰণে ৰাখি Expansion আৰু Extension কৰাৰ কাৰণে দিছে। শৰ্ম্মা ডাঙৰীয়াই কংগ্ৰেছী ফালৰ পৰা বাঁহ-বাৰী, খেৰ-বাৰী আৰু বিমান আড্ডাৰ বাবে মাটি চাহ বাগানৰ মালিকসকলক দিয়াৰ কাৰণে কৈছে। মই এইটো সমৰ্থন নকৰোঁ। আজি চিলিং আইনৰ দ্বাৰা কৃষকসকলৰ দুৰ্দ্দশা কমা নাই। তেওঁলোকৰ উঠি অহা গাভৰু ছোৱালীৰ বুকুত দিবলৈ এডোখৰ কাপোৰ নাই। চাহ বাগানৰ শ্ৰমিক সকলৰ দুৰ্দ্দশাৰ কথা বহুত ডাঙৰ ডাঙৰ লিখকেও লিখি গৈছে। এই "এটি কলি দুটি পাত" কিতাপখনত। এইখন নিশ্চয় সকলোৱে পঢ়িছে। সেইখন পঢ়িলে তক্‌বক্ হৈ উঠে শৰীৰৰ সমস্ত তেজ। এতদস্বত্বেও চাহ বাগানৰ মালিকসকলক Expansion

ৰ কাৰণে মাটি নিয়াটো মই সমৰ্থন নকৰোঁ। আজি ২৩।২৪ বছৰে চিলিং আইনৰ যোগে দি কি কৰিছে, আৰু এতিয়াই বা কি কৰিব ? এতিয়াও যে কৃতকাৰ্য্য হব সেইটো সন্দেহৰ বিষয়। গতিকে অন্য কৰিব নোৱাৰিলেও যাতে দুৰ্নীতি বন্ধ কৰে তালৈ মই চৰকাৰক অনুৰোধ জনালোঁ।

এই কথাটো আগতেই হব লাগিছিল। আমি গাঁৱে-ভূঞে দেখিছো যে, আমাৰ দুখীয়া খেতিয়কসকলৰ উঠি অহা গাভৰু জীয়াৰীৰ শৰীৰ ঢাকিবলৈকো এডোখৰ কাপোৰ দিব নোৱাৰা অৱস্থা। খেতিয়কৰ দুখ লগা আৰ্থিক দুৰৱস্থাৰ কাৰণেই এডোখৰ কানি-কাপোৰ দিব নোৱাৰাত পৰিছে। আমাৰ গাঁৱে ভুঞে মন্ত্ৰী মহোদয় সকল আৰু আমিও ঘূৰি ফুৰো। গতিকে খেতিয়ক সকলৰ শোক লগা অৱস্থা আমি সকলোৱেই দেখি আছো। চৰকাৰৰ দুৰ্ব্বল হাতেৰে পাছ কৰা এই চিলিং আইনৰ দ্বাৰা জানো খেতিয়ক ৰাইজৰ দুৰ্দ্দশা দূৰ কৰিব পাৰিব ? তাক জানো কাৰ্য্যত পৰিণত কৰিব পাৰিব ? আজি ২৬ জনীয়া যিটো মন্ত্ৰী মণ্ডলী গঠিত হৈছে আমি ভাল পালোহেঁতেন যদিহে এই মন্ত্ৰী মণ্ডলীয়ে ক্ৰমবৰ্দ্ধমান দুৰ্নীতি দূৰ কৰিব পাৰিলেহেতেঁন। অপকাৰহে কৰিব--এই চৰকাৰে। যদিহে অন্যায় দুৰ্নীতি দূৰ কৰিব পাৰিলে হেতেঁন তেনে-হলে এই চৰকাৰক প্ৰশংসা কৰিলো হেতেঁন। যদি অন্যায়-কাৰীক নিমূল কৰিব পাৰিলেহেঁতেন বা শোষণকাৰীক শাস্তি দিব পাৰিলেহেতেঁন—তেনেহলে, এই ১৬ জনীয়া মন্ত্ৰী সভাৰ কাৰণে যি বিপুল পৰিমাণৰ টকা খৰছ হব তাৰ কাৰণে ইমান আপত্তি নেথাকিল হেতেঁন। যদিহে আমাৰ সৰ্ব্বসাধাৰণ দুখীয়া খেতিয়ক সকলক—মণ্ডল, কাননগু বা D. C, S. D. C, ৰ কবলৰ পৰা মুক্ত কৰিব পাৰিলেহেতেঁন। কাৰণ এই বিষয়া সকলক টকা পইচা দিব নোৱাৰিলে কোনো কামেই সিদ্ধি কৰিব নোৱাৰে। সেই কাৰণেই কৈছো যে; এই বিলখন অনা পলম হৈ গ'ল। ইয়াৰ আগতেই কৰিব লাগিছিল। সেই কাৰণেই আজি আমাৰ এই ফালৰ শ্ৰীভট্টাচাৰ্য্য

ডাঙৰীয়াই যিটো কথা কৈছে, সেইটো অনিচ্ছা স্বত্তেও সমৰ্থন কৰিবলৈ আগবাঢ়িছো এই কাৰণেই যে, বিৰোধী পক্ষৰ ফালৰপৰা চাহ বাগিচাক শতকৰা ২৫ ভাগ মাটি দিবৰ ব্যৱস্থা কৰাৰ কাৰণে আৰু সি পক্ষৰ নহৈ এই সংশোধনীটো এই পক্ষৰ হোৱাৰ কাৰণেই অনিচ্ছা স্বতেও এইটো সমৰ্থন কৰি মই সামৰিলো।

*Shri Phani Bora : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ৰ ওপৰত যি কেইটা সংশোধনী প্ৰস্তাৱ আহিছে সেই সংশোধনী প্ৰস্তাৱ কেইটাৰ সম্পৰ্কত কবলৈ যোৱাৰ আগতে তাৰ উদ্দেশ্যে যিবিলাক কথা বাখ্যা কৰিছে, অৱশ্যে ভট্টাচাৰ্য্য ডাঙৰীয়াৰ কথা বেলেগ। তাৰ বাহিৰে বাকী গোটেই কেইটা সেই উদ্দেশ্যেতে। সি যি কি নহওক লাগিলে যি তেখেতসকলে কয় যে, চাহ শিল্পৰ নিচিনা এটা অসমৰ মূল শিল্প সেই শিল্পটোৰ স্বাৰ্থৰ কাৰণে এই সংশোধন কেইটা আনিছে। সেই কথা যদি কয় তেতিয়া হলে সেই কথাটোত তেখেতসকলৰ আন্তৰিকতা আছে বুলি ধৰি লৈ মই এই কথা কব পাৰো যে, এই সংশোধনী কেইটা গৃহীত হয় তেনেহলে আমাৰ এই চিলিং আইন খনত, এই বাৰৰ সংশোধনী আইনখনত যি চাহ বাগানৰ মাটি অন্তৰভুক্ত কৰাৰ উদ্দেশ্য বা লক্ষ্য আছিল, সেই লক্ষ্য সম্পূৰ্ণভাৱে নষ্ট কৰি দিয়া হ'ল। এতিয়া আমাৰ মাননীয় সদস্য কেইবা গৰাকী মানে বিশেষকৈ এগৰাকী মাননীয় সদস্যাই বাৰে বাৰে তেখেতৰ সোঁ-ফালে থকা সদস্যৰ ফালে আঙুলিয়াই কৈছে যে, আপোনালোকে যদি চাহ বাগানবিলাক ৰক্ষা কৰিব খোজে মই বৰ সুখী হম। যেন চাহ বাগানৰ শিল্প ধ্বংস কৰাৰ কাৰণে এই ফালৰ পৰা কোনোবাই মন মেলিছে। এই কথাটোত তেখেতৰ ভাৱটো প্ৰকাশ পাইছে। আৰু এটা কথা তেখেতে বাৰে বাৰে কৈছে যে, আপোনালোকে ভবিষ্যতে প্ৰস্তাৱ, কিয়নো এই সংশোধনীৰ বিৰোধিতা কৰিছে। এই

*Speech not corrected

সম্পৰ্কে চাৰ, প্ৰথমতে মই কব খুজিছো যে, চাহ বাগানৰ শিল্প, চাহ শিল্প ৰক্ষা কৰাৰ কাৰণে আমি যি ধৰণে পদ্ধতি লব লাগে সেই সকলো পদ্ধতি লবলৈ আমি ৰাজি আছো। আৰু সেই সকলো বিলাক ব্যৱস্থা লব পৰা যায়।

১ নং কথা হৈছে, আজি চাহ বাগানবিলাকত চাহ শিল্পই বাৰে বাৰে এটা সমস্যাৰ সন্মুখীন হব লগা হয়। সেই সমস্যাটো হৈছে খাদ্য সমস্যা। খাদ্য যোগানৰ সমস্যা। অসমত যে খাদ্যৰ নাটনি হৈ এটা সমস্যাই দেখা দিয়ে তেতিয়া চাহ শিল্পৰ ওপৰতো তাৰ এটা প্ৰতিক্ৰিয়া হয়। কিয়নো ইমান লাখ লাখ লেবাৰ মজ-দুৰক খাদ্য যোগান ধৰিব নোৱাৰে। সেই কাৰণে আজি খাদ্যৰ বিষয়টো আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। যদি চৰকাৰৰ তৰফৰপৰা খাদ্য সম্ভাৰ ঠিকমতে যোগান দিয়া হয়, চাহ শিল্পৰ কৰ্ম্মচাৰীসকলৰ কাৰণে, চাহ মজদুৰসকলৰ কাৰণে গোটেই বছৰ ধৰি খাদ্যৰ যোগান দিয়া হয়, তেতিয়া হলে মোৰ বোধেৰে এই চাহ শ্ৰমিকসকলে বছৰে বছৰে যি এটা সমস্যাৰ সন্মুখীন হৈছে সেই সমস্যা লাঘৱ হব। কিন্তু তাৰ কাৰণে চাহ বাগানৰ মালিকসকলক ধান বাগানৰ মালিক কৰাৰ কাৰণে যিটো পদ্ধতি চৰকাৰে লৈছিল, এইটো জঘন্য পদ্ধতি। এই পদ্ধতিৰ দ্বাৰা প্ৰকৃত পক্ষে আমাৰ মাজত নতুনকৈ এটা জমিদাৰী শ্ৰেণীৰ সৃষ্টি কৰাৰ চেষ্টা মাত্ৰ। এই ক্ষেত্ৰত মই কৈছিলো যদিও জমিদাৰী উচ্ছেদ আইন, চিলিং কমোৱা আইন আছিছে এইবিলাক আইন আছিল প্ৰকৃত পক্ষে সামন্ত তান্ত্ৰিক নিয়মৰ দ্বাৰা সমাজৰ শোধনৰ আমূল পৰিবৰ্ত্তন কৰা নহয়। কিন্তু বিশেষ ক্ষেত্ৰত শিল্পপতিবিলাক শিল্পৰ ওপৰত নিৰ্ভৰশীল হৈ সমস্যাৰ সন্মুখীন হৈ তেওঁবিলাকে কিছু পৰিমাণে সামন্ত তান্ত্ৰিক সম্পৰ্কটো পৰিবৰ্ত্তন কৰি তেওঁলোকে আকৌ এটা ধন তান্ত্ৰিক সম্পৰ্কত পৰিণত কৰাৰ চেষ্টা কৰিছে। কিন্তু আজি আমাৰ নিছিনা এখন দেশত সম্ভৱপৰ নহয় এজন সদস্যাই কৈছে যে

ডাঙৰ ডাঙৰ farm আৰু নতুন ধৰণৰ পদ্ধতিৰে কৰিলে অৰ্থনীতিৰ ফালৰপৰা ভাল। এইটো কি হব পাৰে? এইটো সম্ভৱপৰ হব যিবিলাক দেশত উপনিবেশ আছে। যিবিলাক দেশত জনসংখ্যা খুব কম। সেই জনসংখ্যাক খুৱাব, পিন্ধাবৰ কাৰণে বিশেষ উপাৰ্জন অন্য দেশৰ উপাৰ্জনক শোষন কৰি অনাটো সচাঁ কথা। সেই কাৰণে দেখিছো যে এশ, ডেৰশ, প্ৰায় তিনিশ মান বছৰৰ আগতে ইউৰোপৰ দেশবিলাকত শিল্প বিপ্লৱ হৈছিল। পৰিণতি হিচাবে তাত যি গণতান্ত্ৰিত শাসন ব্যৱস্থা আহিছিল সেই গণতান্ত্ৰিক শাসনৰ মালিকসকলে সামন্ততান্ত্ৰিক অৰ্থনীতিক ধনতান্ত্ৰিক অৰ্থনীতিলৈ ৰূপান্তৰ কৰিছিল। গতিকে দেখা যায় যে, প্ৰায় তিনিশ বছৰৰ আগতে উপনিবেশ বিলাকত Feudal Landlord বিলাকক Capitalist Landlord কৰিবলৈ যাওঁতে সম্পূৰ্ণ হতাশ হব লগা হৈছিল। যিটোত আজি ভাৰত চৰকাৰো সন্মুখীন হৈছে। আজি ১[illegible] বছৰৰ আগতে সম্পত্তিবান বিৰলাক প্ৰায় ২ লাখ ৭৫ হাজাৰ বিঘা মাটি দি, খেতিয়কসকলক উচ্ছেদ কৰি large scale Capitalist farm কৰিবৰ কাৰণে চেষ্টা কৰিছিল।

পূঁজিপতিৰ দৃষ্টিভঙ্গীৰ পৰা এই কৃষি সমস্যা সমাধান কৰাৰ যিটো দৃষ্টি ভঙ্গী আৰু শ্ৰমিকৰ মাটি সমস্যাৰ পৰা কৃষি সমস্যা সমাধানৰ যিটো দৃষ্টিভঙ্গীৰ এইটো এটা সংঘাটৰ সৃষ্টি হৈছে, আৰু এই সংঘাটৰ ভিতৰত কংগ্ৰেছ চৰকাৰ পৰিব লগা হৈছে। তাৰ প্ৰমাণ আমি দেখিবলৈ পাইছো। সেই কাৰণে শৰ্ম্মা ডাঙৰীয়াই এডোখৰ কৃষি বিভাগৰ কাগজ আগবঢ়াই দিছিল আৰু কৈছিল এইটো চাওঁক। চৰকাৰে সেইখনত Grow More Food Campaign ৰ কাৰণে টেক্স ৰেহাই দিছে আৰু চাহ বাগানৰ উদ্বৃত্ত মাটি বিলাকত খেতি কৰিবৰ কাৰণে চাহ বাগানৰ মালিকক দিয়া হৈছে। এইটো যিটো সংশোধনী আনিছে সেইটোৱে উলোটা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব। মই কব খুজিছো সেইটোৰ ওপৰত নিৰ্ভৰ কৰি যদি ঠিক কৰে তেনেহলে লাভ নহব। সেই কাৰণে চাহ বাগিচাৰ

মালিকসকলে ধান খেতি কৰাৰ মনোবৃত্তি বাদ দিয়ক। চাহ বাগিচাৰ যি সকল বন্ধু আছে, যিবিলাক চাহবাগিচাৰ মালিক আছে যিবিলাক শ্ৰমিক নেতাৰ বন্ধু আছে সকলোকে এই বিষয় কম। অসমৰ শিল্পত শান্তি ৰক্ষা কৰিবলৈ হলে শিল্পৰ যিটো খৰছ সেই খৰছৰ এটা সীমা ৰাখিব লাগে। তেতিয়া হলে খাদ্য বস্তুৰ উৎপাদন বৃদ্ধি আৰু সৰবৰাহৰ গাণ্টি থাকিব লাগিব। কৃষকৰ মূল সমস্যা সমাধান কৰিবলৈ এই ক্ষেত্ৰত সকলোৱে খাদ্য সৰবৰাহৰ নিৰ্ব্বাসনা ৰক্ষা কৰাৰ কাৰণে সমৰ্থন আৰু সহায় থাকিব লাগিব। সেই বুলি মাটিখিনি তেওঁলোকক দি আধিয়াৰ খটুৱাবলৈ কেতিয়াও দিব নোৱাৰো। আইন যদি কৰে বে-আইনী কৰি ভাঙি দিম। আজি আমাৰ মাননীয় সদস্য সনাতন ডাঙৰীয়াই কিছুমান সংশোধনী দিছে। তেখেতৰ সংশোধনীটো মূৰ তুলিব নোৱাৰা সংশোধনী। সেইটোত কৈছে যে, এই ধৰণৰ মাটি বিলাকৰ ওপৰত চিলিং আইন প্ৰযোজ্য নহব তাৰ ভিতৰত যিবিলাক আধিয়াৰ চাহ বাগানৰ নিবনুৱা আৰু চাহ বাগানত কাম কৰা মজদুৰে ব্যৱহাৰ কৰি আছে সেই চাহ বাগানৰ উদ্বৃত্ত মাটি বিলাকত এই আইন হব নালাগে। তেখেতে হয়তু কথাটো ভালকৈ বুজা নাই, নহলে এই সংশোধনী নিদিলেহেঁতেন। চাহ বাগানৰ মালিকসকলে আধিয়াৰ-প্ৰজা কৰি ৰাখিছে আৰু নিজে জমিদাৰ হৈ আছে। গতিকে চৰকাৰৰ ফালৰপৰা যিখন সংশোধনী বিল আহিছে, সেইটোৰ উলোটাহে কৰা হৈছে। এইটো আমি চাব লাগে। যিমানখিনি মাটিত এতিয়া চাহ বাগানৰ মজদুৰে খেতি কৰি আছে বা গাৱঁৰ গাৱঁলীয়াই বা Ex-Tea garden মজদুৰে খেতি কৰি আছে সেই মাটিবিলাক কোনো কথা বিবেচনা নকৰি চিলিং আইন প্ৰয়োগ কৰিব লাগে আৰু সেই সকল লোকক মাটিৰ পট্টা কৰি দিব লাগে। চিলিং আইন প্ৰয়োগ নকৰিলে পট্টা দিব নোৱাৰিব। সেই কাৰণে এইবিলাক ভুল সংশোধনী আৰু গ্ৰহণযোগ্য নহয়। তাৰ বাহিৰেও আজি আমি দেখিবলৈ পাইছো যে, চাহ বাগানৰ মালিকসকলে আমাৰ forest

ৰ মাটি হাজাৰ হাজাৰ বিঘা দখল কৰিছে, সুমৱাই লৈছে। আনহাতেদি দুখীয়া মানুহে এডোখৰ মাটি যদি দখল কৰে তেন্তে চৌধুৰী ডাঙৰীয়াই পুলিচ লগাই দিয়ে, ঘৰত জুই লগায়, হাতী লগাই দিয়ে। খাবলৈ নোপোৱা, বান-প্ৰপীড়িত মানুহে জংঘলত সোমাই অকনমান ঘৰ এটা সাজি থাকে, তাকো হাতী লগাই দি ভাঙি দিয়ে। এতিয়া কিন্তু ডেপুটি কমিচনাৰ সকলৰ ৰিপৰ্টত চাহ বাগানৰ মালিকসকলে কিমান মাটি বে-আইনী ভাৱে আত্মসাৎ কৰিছে, এইটো থকা সত্বেও কোনো action লোৱা নাই। চৰকাৰী বনাঞ্চল বাগানৰ বনাঞ্চলৰ ভিতৰত সুমুৱাই লৈছে। তাৰোপৰি তেজপুৰ গহপুৰলৈ যোৱা ৰাস্তাত এটা বিৰাট অঞ্চল বাঁহ-বাৰী অৱতীৰ্ণ অঞ্চল কৰিছে। এই বাঁহ-বাৰী খেৰ-বাৰী বিলাকত যদি আইন প্ৰয়োগ নহয়, তেন্তে যিটো উদ্দেশ্যত আমি মাটিবিলাক লৈ আমাৰ কৃষি সমস্যা সমাধান কৰিব খুজিছে আৰু দুখীয়া খেতিয়কক আৰু বাগানৰ মজদুৰক মাটি দিয়াৰ কাৰণে যিটো প্ৰচেষ্টা চলাইছে, সেই প্ৰচেষ্টা ব্যৰ্থ হব। খেৰ-বাৰী, বাঁহ-বাৰী আদি ৰাখিব দিয়া হৈছে, কিন্তু চাহ বাগানৰ শিল্পপতি সকলৰ বিৰুদ্ধে অভিযোগ হৈছে যে, চৰকাৰৰ যিটো মজদুৰৰ ঘৰ কৰাৰ Scheme সেই Scheme ৰ টকা পইচা নাহে, সেই সুযোগ গ্ৰহণ কৰিব পৰা নাই; এইটোৰ ওপৰত একো কৰিব পৰা নাই। এইবিলাকত সহায়ৰ ক্ষেত্ৰত, ঘৰ আদি সজা কথাত আমি সমৰ্থন কৰিম। কাৰণ মজদুৰক সাপ, ভেকুলী আদিৰ দৰে ৰখাৰ দিন নাই। বাঁহ-বাৰী, খেৰ-বাৰী আদি ৰাখি চাহ বাগানৰ মালিকবিলাকে বাঁহ খেৰৰ বেপাৰ কৰিছে। এনেকৈ আধুনিক শিল্পপতি সকলে বাঁহ খেৰ, খৰি আদিৰ বেপাৰ কৰিছে আনহাতেদি মানুহ জীয়াই থাকিবৰ কাৰণে ছয় ফুট মাটি পোৱা নাই। এই বিষয়ে শিৱসাগৰ, ডিব্ৰুগড়, লক্ষীমপুৰ, তেজপুৰ আদি জিলাৰ মাননীয় সদস্যসকলে ভালকৈ জানে।

কাছাৰ জিলাৰ মাননীয় সদস্যসকলেও ভালকৈ জানে বুলি কৈছে। এনে ক্ষেত্ৰত মাটি ৰাখিলে কেতিয়াও এই সমস্যাটো সমাধান নহয়। আমাৰ মাননীয় সদস্য হাজৰিকাই কৈছে যে, Compactness লাগে। কিন্তু তাৰ নামত ( Compactness ) যাতে চাৰিওফালে অন্য মানুহৰ মাটি নাথাকে সেইবিলাক কথা বিবেচনা কৰা উচিত। কিন্তু সেইটো যদি general rule হয়, তেন্তে মোৰ ভয় হৈছে যে এটা বিৰাট অঞ্চল Compactness ৰ নামত ঘেৰাও কৰি লব। এনেকুৱা কিছুমান জেগা আছে য'ত ৫-৬-৭ বিঘা মাটি বাগানৰ ভিতৰলৈ সোমাই গৈছে। এনে হলে Compactness ৰ নামত আমি মাটি আনিব নোৱাৰিম। আৰু তেওঁলোকে ইয়াৰ নামত বহুখিনি মাটি দখল কৰি ৰাখিব। আজি বাগান সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত বাগানৰ কথাটো চিন্তা কৰি আমাৰ লাভ নাই।

কাৰণ আমি দেখিছো নীলগিৰি অঞ্চলত ২৫ বিঘা মাটিত একোখন বাগান কৰিছে। সেই বাগান কৰা একোজন মানুহে একোটা পৰিয়ালৰ ভৰণ-পোষণ দিব পাৰিছে। প্ৰত্যেক বাগানতে যে একোটা চাহ পাত শুকুৱা কলঘৰ খাকিব লাগে তাৰ একো অৰ্থ নাই। সৰু সৰু বাগান হ'লে কেইবাখনৰো মাজত একোটা কল ঘৰ চৰকাৰৰ তৰফৰ পৰা দিলে নিশ্চয় সৰু সৰু বাগানৰ পৰা একোটা পৰিয়ালক ভৰণ-পোষণ দিব পৰা হব আৰু তাৰ পৰা লোকচানো নহয়।

আন্তৰ্জাতিক বজাৰৰ কথা কোৱা হৈছে। কিন্তু এইটোও যদি আমি নিৰ্ভৰ কৰিবলগীয়া হয় তেন্তে ইয়াৰ চাহিদা বঢ়াব লাগিব আৰু চাহৰ quality ও বৃদ্ধি কৰিব লাগিব। ভাৰতীয় চাহৰ quality নিম্নগামী হৈ যাব ধৰিছে; ইয়াৰ মুলতে হল আমাৰ ১৫০ বছৰীয়া চাহ বাগানবোৰ। এই বাগানবোৰৰ মালিকবিলাকে সেই পুৰণি গছ সোপাৰে চাল বখলিয়াই বাগান কেইখন জীয়াই

ৰাখিব খুজিছে। বৰ্ত্তমান তাৰ পৰা ক'ত উৎপাদন হ'ব ? ইয়াত চাহ গছ থাকে আৰু ইফালে মালিক থাকে কলিকতাত। তেওঁ লোকে তাৰ পৰাই চাহ গছবোৰৰ চাল চেলাই কেনেকৈ লাভ কৰিব পাৰে তাৰেহে চিন্তা কৰি থাকে। তেওঁলোকে বাগান কেতিয়াও ভাল কৰিব নোৱাৰে। যদি আন্তৰ্জাতিক বজাৰ কৰিব খোজে তেন্তে চৰকাৰৰ তৰফৰ পৰা দৃষ্টি ৰাখিব লাগিব।

চাহ গছৰ বয়স অনুপাতে Rotation Revolution কৰি কৰি সাৰ দি যদি ভাল quality ৰ চাহ কৰাৰ ব্যৱস্থা কৰিব পাৰে তেন্তে আমি world competition কৰিব পাৰিম। আন্তৰ্জ্জাতিক বজাৰত চাহৰ বিক্ৰী কিমান হব সেইটো মই নাজানো। সেই কাৰণে, অধ্যক্ষ মহোদয়, অসমৰ চাহ শিল্পৰ উন্নতিত যে ceiling আইনে কোনো ৰকমৰ বাধা নিদিয়ে সেইটোত মই গেৰাণ্টি দিব পাৰো। এই ক্ষেত্ৰত চাহ শিল্পৰ উন্নতিৰ কাৰণে অন্য আৰু বহুখিনি কাম কৰিব লগীয়া আছে ; সেইখিনিত চৰকাৰে জোৰ দিয়ক আমি সমৰ্থন কৰিম।

অৱশেষত ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো সংশোধনী দিছে, সেই-টোলৈ আহোঁ।

১'২ যিটো ফৰমুলা সেইটোত মাৰি ধৰি আদায় কৰিব পাৰিলে ভেকো-ভাওনা হে হব। কিন্তু মই ভাবো যে চাহ বাগা-নৰ ক্ষেত্ৰতো এটা চিলিং আইন থাকিব লাগে। শতকৰা ২৫ ভাগ বহুত বেছি হব বুলি মোৰ ধাৰণা। চৰকাৰ আৰু আমি যদি এক-মত হৈ শতকৰা ১০ ভাগ ancillary purpose কৰিব পাৰো তেনেহলে মোৰ বোধেৰে ভাল হয়। গতিকে অধ্যক্ষ মহোদয়, বাকী সংশোধনী কেইটাৰ মই বিৰোধিতা কৰিলোঁ।

বাগানৰ ভিতৰত ড্ৰেইনৰ বাবে যদি ৩ হাত ৪ হাত ভিতৰলৈ সোমাই গৈছে সেইখিনি এৰি দিব লাগে। কিন্তু এশ হাত দুশ হাত যদি ভিতৰলৈ সোমাই গৈছে সেইয়া এৰি দিয়া নহব।

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কি ধৰণেৰে এই কথাবিলাক সম্পাদন কৰিবৰ কাৰণে মেশিনাৰী কৰিবলৈ কৈছে, মই কব নোৱাৰো। মই ভাবো এই আইন কাৰ্যকৰী কৰাত বাহিৰৰ মানুহে বাধা দিব। আৰু কোনো ঠাইত অন্য প্ৰকাৰে কৰা বাধাৰ সৃষ্টি হব।

সেইটোৰ সম্পৰ্কে মই এতিয়াও গম পোৱা নাই। গতিকে মোৰ সন্দেহ আছে বিল কেনেকৈ পাছ হয়, তেনেকৈ কাৰ্য্যকৰী কৰিব পাৰিবনে নোৱাৰে।

**Mr. Speaker :** All the hon'ble Members are anxious to pass this Bill, at least this clause should be passed to-day,

**Shri Upendra Nath Sanatan :** অধ্যক্ষ মহোদয় মোৰ দুটা কথা কব লগা আছে।

**Mr. Speaker :** Amendment ৰ কথা আপুনি কৈছেই নহয়।

***Shri Mahendra Mohan Choudhury : (Chief Minister)** অধ্যক্ষ মহোদয়, সদনত এই বিলখনৰ সংশোধনীৰ যথেষ্ট আলোচনাই হৈছে আৰু সংশোধনীবিলাকৰ সম্পৰ্কে যিখিনি মতামত পাছ কৰিব লগীয়া আছিল মোৰ বিশ্বাস আটাইখিনি ইতিমধ্যে পাছ কৰা হৈ গৈছে। আজি আমাৰ শ্ৰী বৰা ডাঙৰীয়াই এটা বিশেষ প্ৰশ্ন ইয়াত উত্থাপন কৰিছে।

প্ৰশ্নটো হৈছে যে, আমাৰ যিটো Land Revenue Machinery আছে সেইটোৰ ওপৰত নিভৰ কৰি যদি আইনখন প্ৰয়োগ কৰিবলগীয়া হয়, তেন্তে আইনখন প্ৰায়াগ কৰাৰ ক্ষেত্ৰত বিশেষ কৃতকাৰ্যতা হোৱাটো সম্ভৱ নহয় বুলি তেখেতে কৈছে। মই তেখেতৰ

*Speech not corrected

লগত এই বিষয়ত একমত আৰু এই বিলখন প্ৰয়োগ কৰাৰ ক্ষেত্ৰত যাতে সকলো প্ৰকাৰে আমি কামত আগ বাঢ়ি যাব পাৰো তাৰ বাবে এটা নতুন মেশ্যিনাৰী এই বিলখনত প্ৰয়োগ কৰিবৰ কাৰণে যিটো হেচা দিছে সেইটোত মই ৰাজী আছো।

আমাৰ এই চাহ শিল্পটো বহুত দিনীয়া পুৰণি শিল্প। ১৮৪০ চনতে এই শিল্প আৰম্ভ হয় আৰু এই ১৩০ বছৰে এই শিল্পই বিশেষ অগ্ৰগতিৰে উন্নয়নত আগবাঢ়ি গৈছে। আমাৰ হিচাব মতে চাহ শিল্পৰ কাৰণে মঞ্জুৰী মাটিৰ পৰিমান ২৪ লাখ ১০৯৮০ বিঘা আৰু মুঠ চাহ বাগানৰ কাৰণে গ্ৰাণ্ট কৰা মাটি হৈছে ১৩ লক্ষ্য ২৬০৮০ বিঘা। হেক্টৰ মতে হৈছে ...........

(এটি স্বৰ: হেক্টৰ আমাক নালাগে)

এই খিনি আমাৰ ১৯৭০ চনৰ হিচাবমতে Planted area অথাৎ upto date আৰু ২০ বছৰে এই শিল্পটো Expansion হৈছে ১ লক্ষ ৮৭৮৯৭'৫ বিঘা, ইয়াৰ বাহিৰেও আৰু মাটি আছে।

Shri Phani Bora : ইয়াত বাঁহ-খেৰ বোৱাৰ হিচাব আছে নেকি ?

*Shri Mahendra Mohan Chaudhury (Chief Minister) অকল যোৱা ২০ বছৰে চাহৰ কাৰণেই ১৮৭৮৯৭'৫ বিঘা আৰু ইয়াৰ বাহিৰেও ১০ লক্ষ ৮৪৮৯০ বিঘা মাটি উদবৃত্ত আছে। তেনেহলে যদি আৰু ২০ বছৰৰ পৰিকল্পনা লৈ—ইত্যাদি বা ১০ লক্ষ ৮৪৮৯০ বিঘা মাটি আছে।

(Interruption)

যোৱা ২০ বছৰে যিমানখিনি মাটিত Expantion কৰা হল আৰু আকৌ ২০ বছৰৰ কাৰণে সিমানখিনি মাটি দিয়া হয় তেনেহলেও আমাৰ ৯ লক্ষ বিঘা মাটি উদবৃত্ত হব বুলি আমাৰ এই সংখ্যাটোত কোৱা হৈছে।

*Speech not corrected

*Shri Promod Chandra Gogoi : অধ্যক্ষ ডাঙৰীয়া এতিয়া আমি ইয়াত এটা পাৰ্থক্য পাইছো যে, তেখেতে আজি ১৯৭০ চনৰ হিচাব টোত কৈছে, যে চাহ-বাগান বিলাকৰ অধীনত ২৪ লক্ষ বিঘা মাটি আছে, তাৰ মানে প্ৰায় ৮ লক্ষ একৰ মান কম এইটো ১৯৬৮ চনত চৰকাৰৰ পক্ষৰ পৰাই মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে, চাহ বাগানৰ অধীনৰ মাটি আছে প্ৰায় ১২ লক্ষ একৰ বা ৩৬ লক্ষ বিঘা। গতিকে এই দুবছৰ ভিতৰত ইমানখিনি পাৰ্থক্য কেনেকৈ হৈছে? এইটো হবলৈ হলে এই দুবছৰৰ ভিতৰত বাগানবিলাকে মাটি বেচিব লাগিব নতুবা চৰকাৰৰ হিচাবটোতেই ক'ৰবাত গণ্ডগোল আছে।

Shri Debeswar Sarmah : গগৈৰ প্ৰশ্নটো কি মই বুজা নাই।

*Shri Promode Chandra Gogoi : ১৯৬৮ চনত ৰাজহ মন্ত্ৰীয়ে মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে, অসমৰ চাহ বাগানবিলাকত কিমান মাটি আছে, এই প্ৰসঙ্গত তেখেতে দিয়া উত্তৰটো সঠিককৈ পঢ়ি দিওঁ। তেতিয়া চৰকাৰৰ পক্ষৰ পৰা হিচাব দিছিল যে, চাহ বাগানবিলাকত মুঠ মাটি আছে ১২ লক্ষ ৮৪৮৩১ একৰ আৰু চাহ খেতি কৰা মাটি হৈছে ৪ লক্ষ্য ৩৩ হাজাৰ ৮১৬একৰ। এইটো ১৯৬৮ চনৰ হিচাৱ। কিন্তু আজি এতিয়া হিচাবত কৈছে যে, চাহ বাগানবিলাকত মাটি আছে ২৪ লক্ষ বিঘা। তাৰ মানে কম-বেচি পৰিমাণে প্ৰায় ৮ লক্ষ একৰ কম হৈছে। গতিকে এই ২ বছৰৰ ভিতৰত চাহ বাগানবিলাকে এই ৪ লক্ষ একৰ মাটি বেচিব লাগিব নতুবা চৰকাৰে এতিয়া যিটো হিচাব দিছে তাতে কিবা গণ্ডগোল আছে। কাৰণ চাহ যিবিলাকৰ অধীনত ১২ লক্ষ একৰ মাটি যে আছিল এইটো অকল চৰকাৰেই দিয়া নহয়—তাৰোপৰি ১৯৪৮ কি ১৯৫০ চনত Indian Tea Development Association ৰ

*Speech not corrected

Figure ত দিয়া হৈছে। এতিয়া এই সম্পৰ্কে মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্টীকৰণ দিব লাগে।

Shri Mahendra Mohan Choudhury (Chief Minister): অধ্যক্ষ মহোদয়, মই এইটো Figure ইয়াত Hector হিচাবতহে পাইছো আৰু মই এইটো পূৰণ কৰিছিলো। এইটো ভুলো হব পাৰে কাৰণ মই বৰ অঙ্কত পণ্ডিত নহয়। এইটো মই Hector ৰ হিচাবতহে কৈছো।

Shri Dulal Chandra Barua: এইটো কোন মেচিনেৰীৰ দ্বাৰা অনা হৈছে।

Shri Mahendra Mohan Choudhury (Chief Minister): ৰেভিনিউ বিভাগৰ যোগেদি। এইটো Record ত hector হৈ আছে সেই কাৰণে এই হিচাবটো ভুলো হব পাৰে। সেই কাৰণেই মই কৈছো যে, মুঠ মাটি –

(Interruption)

চাৰ হিচাবটো যিয়েই নহওক।

M: Shamsul Huda: অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্নৰ উত্তৰটো ৪৪ লক্ষ একৰ বুলি কৈছিল।

Shri Mahendra Mohan Choudhury (Chief Minister): এইটো মোৰ Relevant উত্তৰ নহবও পাৰে। মই House ক জনাবৰ কাৰণে বিশেষকৈ মাননীয় সদস্য দুলাল বৰুৱা ডাঙৰীয়াই যি প্ৰশ্ন কৰিছিল সেইকাৰণে মই এই Figure টো আনিছো।

Shri Promode Chandra Gogoi: অধ্যক্ষ মহোদয়, তেখেতে হিচাবটো বুজিবৰ কাৰণে দিছে, কিন্তু হিচাবটো শুদ্ধ হব লাগিছিল। কাৰণ

১৯৬৮ চনত চৰকাৰৰ পক্ষৰপৰা বৰ্তমানৰ মুখ্যমন্ত্ৰী, তেতিয়াৰ ৰাজহমন্ত্ৰী তেখেতে কৈছিল যে চাহ বাগানবিলাকত মাটি আছে। তেতিয়া ১৯৬৮ চনলৈকে, ১২ লাখ ৮৭ হাজাৰ ৮শ, ৩১ একৰ। কিন্তু আজি তেখেতে কৈছে যে ১৯৭০ চনত চাহ ৰাগান বিলাকত মাটি আছে ২৪ লাখ ১০ হাজাৰ ৯ শ ৮০ বিঘা। গতিকে প্ৰায় দুই বছৰত ৪ লাখ একৰ মাটিৰ পাৰ্থক্য হৈছে। এইটো কম কথা নহয়। ৪ লাখ একৰ মাটি বাগানবিলাকত ২ বছৰে বিক্ৰি কৰিছে। এইটো সাংঘাটিক কথা।

Shri Mahendra Mohan Choudhury ( Chief Minister ): এইটো ভুল হব পাৰে।

Shri Debeswar Sarmah : এই তিনি বছৰে Acquisition আৰু Requisition কিমান হৈছে তাৰ হিচাবটো লাগে।

Shri Mohendra Mohan Choudhury (Chief Minister) : ১ লাখ ৫১ হাজাৰ ৭৫০ হেক্টৰ আৰু ১৯৬৮ চনত ১ লাখ ৭৬ হাজাৰ ৮.১২ একৰ। মুঠ মাটি আছে চাহ বাগানত ৪ লাখ ৯৮ হাজাৰ

Shri Gaurisankar Bhattacharyya : ১৯৭০ চনত Tea Grant ত ৩৭.৩৭ লাখ বিঘা মাটি আছে। এতিয়া চাহৰ তলত কিমান মাটি আছে।

Shri Mahendra Mohan Choudhury (Chief Minister) : ৩৭.৩৭ লাখ বিঘাৰ ক্ষেত্ৰত- the area under actual tea is 12·48 bighas. In 1947 1,51,750 hectors, 1968 1,76,812 hectors. Total area under tea grant 4,98,226 hectors, 37·37 acres.

১৯৪৭ চনত আছিল ১ লাখ ৫০ হাজাৰ ৭৫০ হেক্টৰ।

১৯৬০ চনত ১ লাখ ৭৪ হেজাৰ ৮১২ হেক্টৰ আছিল। এইটো কোৱাৰ উদ্দেশ্য যে, যোৱা ২০ বছৰে Industry কিমান এ Expand কৰিছে তাৰ এটা ধাৰণা দিবৰ কাৰণেহে।

Shri Debeswar Sarmah : শ্ৰীশৰ্ম্মা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে total grant ৰ যিখিনি মাটি আছে চৰকাৰৰ ফালৰ পৰা কিমান খিনি মাটি অধিগ্ৰহণ কৰা হৈছে ?

Shri Mahendra Mohan Choudhury (Chief Minister) : এইটো figure মোৰ হাতত নাই। পিছতহে দিম।

Shri Debeswar Sarmah : এতিয়া এই বিলৰ মতে-হেক্টৰ হিচাব আছে কিমান আৰু বিঘা হিচাবেই বা আছে কিমান ? আৰু কিমান মাটিত চাহৰ গছ আছে আৰু বনুৱাই কিমান মাটি occupy কৰিছে তাৰ হিচাবটো জনাব লাগে।

Shri Mahendra Mohan Choudhury ( Chief Minister ) : এইটো হিচাব আছে। মই চাম। Requisition হিচাবে বাগানৰ মাটি ১ লাখ ৯৩ হেজাৰ ৭০৮ বিঘা। ১ হেঃ ৭'৫ বিঃ ২'৫ একৰ এই হিচাবত—এই হিচাব উলিওৱা হৈছে।

Shri Bhadra Kanta Gogoi : সিমান মাটি কেতিয়াৰ পৰা acquire কৰা হৈছে ?

*Shri Mahendra Mohan Choudhury ( Chief Minister ) : এই বছৰ ১ লাখ ১৪ হেজাৰ ৯৬১ বিঘা মাটি acquire কৰা হৈছে।

১৯৫৫ চনত এটা agreement হৈছিল আৰু সেই agreement মতে আমি কৈছিলো যে, সেই agreement অনুসৰি চাহ বাগানবিলাকত যিমানখিনি পৰিমাণৰ চাহ গছ আছে তাতকৈ

*Speech not corrected

২ গুণ মাটি তেওঁলোকে ৰাখি বাকী মাটি খিনিক Surrender কৰিবৰ কাৰণে সিদ্ধান্ত কৰা হৈছিল। এই সিদ্ধান্তৰ সময়ত যি সকল Private Tea Garden owner ৰ ২০০ একৰতকৈ কম মাটি আছে আৰু যিবিলাক Company এ বাগানৰ মাটি ৪ পৰা ৬ একৰতকৈ কম সেইবিলাক agreement ৰ পৰা বাদ দিয়া হৈছে। ৰ ছাৰত এই agreement সাময়িক ভাৱে প্ৰয়োগ নকৰাটোকে স্থিৰ কৰা হৈছিল। কাৰণ সেই সময়ত Cachar ত Tea Industry য়ে সঙ্কটৰ সন্মুখীন হব লগা হৈছিল।

## Election of the Deputy Speaker

Mr. Speaker : Order, order. It is 10 O Clock. We shall have to take item No. 4. - that is election of the Deputy Speaker.

Now we take up item No. 4, and proceed with the Election of the Deputy Speaker. On 10th November, 1970 I made an announcement under Rule 8 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly fixing to-day as the date and 10 A. M. to 11-30 A. M. as the time when the election for filling up the vacancy in the office of the Deputy Speaker of this Assembly will be held. For the convenience of all, I shall read out the relevant rules in this respect :

Rule 8 (5) - On the date fixed for elections the Speaker or the person presiding shall read

out to the Assembly names of the members who have been duly proposed together with the names of their proposers and seconders, and if only one member has been so proposed for election, shall declare that person duly elected. If more than one person has been so proposed, the Assembly shall proceed to elect a Deputy Speaker by ballot, and in case of two candidates the candidate obtaining the larger number of vote shall be declared elected.

Rule 8 (6) – For the purpose of Sub-rule (5), a member shall not be deemed to have been duly nominated or be entitled to vote if he and his proposer and seconder have not, before the reading out of the names by the person presiding make the oath or affirmation as members of the Assembly.

Rule 8 (7) - Where more than two candidates have been nominated and at the first ballot—

(a) one such candidates obtains more votes than aggregate votes obtained by the other candidates he shall be declared elected ;

(b) If no candidate obtains more votes than the aggregate votes obtained by the other candidates, the candidate who has obtained the smallest number of votes shall be excluded from the election, until one candidate obtains more votes

than the remaining candidate or than the aggregate votes of remaining candidates, as the case may be.

Rule 8 (8) - Where at any ballot any of the three or more candidates obtain an equal number of votes and one of them has to be excluded from the election under sub-rule (7), the determination as between the candidates whose votes are equal of the candidate who is to be excluded, shall be by drawing of lots.

Now till 3-30 P. M. yesterday, altogether 6 (six) nomination papers were received proposing the names of 4 (four) persons; I shall now read out the names of the persons nominated together with the names of the proposer and seconder of each such person nominated in the order of of time in which the nomination papers were received. They are :

1. Shri Rothindra Nath Sen,
   Proposed by Shri Gaurisankar Bhattacharyya and
   seconded by Shri Motilal Ram Kanoo.

2. Shri Rothindra Nath Sen,
   proposed by Shri Bhadra Kanta Gogoi and
   seconded by
   Shri Pitsing Konwar

3. Shri Lakshyadhar Chaudhury,
Proposed by Shri Atul Chandra Goswami and seconded by
Shri Bhadreswar Gogoi

4. Shrf Jogen Saikia,
Proposed by Dr. Bhubanidhar Barman and seconded by
Shri Uttam Chanra Brahma

5. Shri Jogen Saikia,
Proposed by Shri Jadunath Bhuyyan and seconded by
Shri Nakul Chandra Das

6. Shri Sailen Medhi,
Proposed by Shri Zahirul Islam and seconded by
Shri Govinda Kalita

of these the nomination paper of Shri Sailen Medhi, M. L. A. has been withdrawn. So now there are three candidates viz:

1. Shri Rathindra Nath Sen
2. Shri Lakshyadhar Chaudhury
3. Shri Jogen Saikia

All the nomination papers have been found to be in order. Now as there are more than one candidate an election will have to be held. For this purpose the voting papers will be issued by the Secretary. The names of the hon'ble mem

-bers will be called one by one from the list of Members and the hon'ble members will please come one by one in the order in which their names are called out and take the Voting paper after putting a signature in the list kept for the purpose. They will then kindly go to the Lobby on the back side of the Speaker (Noes Lobby) and mark the Voting Paper in accordance with the instructions contained in the Voting Paper itself and fold the same and place it in the Ballot Box kept in the Table of the House. For the purpose of marking the voting papers two tables have been kept in the table. The voting will continue till 11-30 A. M, when all the entrance doors of the Chamber will be closed and only those who are inside the Chamber but have not recorded their votes will be allowed to vote after 11-30 A, M.

For identification of the Voting Papers each Voting Paper will contain a round rubber stamp seal bearing the words

'Assembly Secretariat, Assam," Shillong" on the bottom left hand corner.

Shri Gaurisankar Bhattacharyya ; Sir, is there any time for withdrawal?

Mr. Speaker : Sub-rule (9) of Rule states "A nomination paper may be withdrawn by the can-

didate or the proposer before the Assembly meets on the day fiixed for the election of the Deputy Speaker."

Shri Gaurisankar Bhattacharyya : If that is exclusively for elec ion only. But as it is a combined day, before the election starts there may be withdrawal. Whatever it may be without taking the consent of my friend Shri Rathindra Nath Sen, I, on my own responsibility have withdrawn the election paper of Shri Sen.

Shri Rethindra Nath Sen : Sir, I support my leader Shri Gaurisankar Bhattacharyya and at the same time I wish the sucess of my friend Shri Lakshyadhar Chaudhury,

Mr. Speaker : Is it the sense of the House that the election paper of Shri Rathindra Nath Sen be withdrawn ?

(Voice Yes, yes)

Though his name will be there in the Voting paper it should be taken as withdrawn.

Mr. Speaker : It is now 11.30 A. M. Voting is closed. Now, the Secretary with the assistance of the Deputy Secretary and other officers will count the Voting. The candidates or their agents may be present at the counting.

(Counting of Votes follows)

Mr. Speaker : The result of the election is as follows :

Shri Jogen Saikia - 58 votes.

Shri Lakshyadhar Choudhury - 46 votes.

Shri Jogen Saikia is being elected as Deputy Speaker of the Assam Legislative Assembly.

Shri Gaurisankar Bhattacharyya : What will happen about these ballots ? Because, I find, there are certain numbers in the ballots and it is very easy to find who has voted for whom. So, may they not be destroyed here ?

Mr. Speaker : Yes, it will be destroyed here.

## Felicitations to Shri Jogen Saikia in his election as Deputy Speaker of the Assam Legislative Assembly

Shri Mahendra Mohan Choudhury (Chief Minister) : Mr. Speaker, Sir, I congratulate Shri Jogen Saikia on his elevation as Deputy Speaker of this august House. Shri Saikia made a mark in this Assembly as an able parliamentarian. His elevation to the office of the Deputy Speaker will surely enhance the prestige of the chair he is going to occupy. I on behalf of this House and more particularly on behalf of myself, heartily felicitate him and wish that he would be able to dis-

charge his duties impartially and free from all prejudices.

Shri Gaurisankar Bhattacharyya : Mr. Speaker, Sir. I also on behalf of this side of this Honse felicitate Shri Jogen Saikia on his being elected as your Deputy and this felicitation, I repeat, Sir, is not just formal. I felicitate him from the core of my heart and with all my sincerity. Shri Saikia is comparatively a young member of this House. But from the very start of his career as a parliamentarian here he has been showing exemplary sobriety balance and steadfastness and hard working. Let us hope Sir, now that he is elevated to the honourable position he will further enhance this craze and he will be proving impartial, just and fair to every section of this House. I know, Sir, that unlike you the Deputy Speaker continues to be a party man, and, therfore, he will have certain difficulties. I don't know whether after his getting elected as the Deputy Speaker he will also continue to be the General Secy of the Congress Legislature Party - that is upto to him and the Congress Legislature Party to decide. But whatever he might do, we shall expect that when he acts as the Deputy Speaker, he will prove not only impartial but also fair and generous. I have full confidence that he will rise up to that occasion and, therefore, I again felicitate him on this elevation.

**Shri Phani Bora** : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীযোগেন শইকীয়াক Deputy Speaker হিচাবে নিৰ্ব্বাচিত হোৱাত অভিনন্দন জনাইছোঁ। লগতে যি সকলে সিপক্ষৰ ফালৰ পৰাও আমাৰ শ্ৰীলক্ষ্যধৰ চৌধুৰী দেৱক ভোট দিছিল তেখেত সকলকো অভিনন্দন জনাইছোঁ। আমাৰ এই সদনত মাননীয় শইকীয়া দেৱে উপাধ্যক্ষ হিচাবে নিশ্চয় তেখেতৰ সকলো খিনি বিবেচনাৰে সদনৰ কাৰ্য-পৰিচালনা কৰাত অৱদান যোগাব বুলি আশা ৰাখিছো। আৰু তেখেতৰ সহায়ত, তেখেতৰ তত্ত্বাৱধানত আমাৰ সদনৰ কাম সুচাৰুৰূপে চলাত সহায়ক হ'ব উপাধ্যক্ষ হিচাবে তেখেতৰ নিৰ্ব্বাচনত আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

**Shri Lakshyadhar Choudhury** : অধ্যক্ষ মহোদয়, জয় জয়তে মই আমাৰ শ্ৰীযোগেন শইকীয়া Deputy Speaker হিচাবে নিৰ্ব্বাচিত হোৱাত আন্তৰিকতাৰে অভিনন্দন জনাইছো আৰু আশা ৰাখিছো--বিশেষকৈ শ্ৰীশইকীয়াৰদৰে এজন যোগ্য ব্যক্তিয়ে আমাৰ সদনৰ সন্মান ৰক্ষা কৰাত নিশ্চয় কৃতকাৰ্য্য হ'ব। তদুপৰি মই অভিনন্দন জনাইছো আমাৰ বিৰোধী পক্ষৰ তিনিওটা Group ৰ কাৰণে। বিশেষকৈ ৰাজনীতিৰ মতভেদ নথকা নহয়। তথাপিও মই নেজ্ঞানো সিপক্ষৰ ৮জন সদস্যইও মোক ভোট দি মৰম দেখুওৱাৰ কাৰণে তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন জনাইছো লগতে মই এই গৌৰৱৰো অধিকাৰী যে অসম বুৰঞ্জীত মই এক নতুন অধ্যায় ৰচনা কৰিছো। সেইকাৰণেই মই সদনৰ সদস্যসকলক অভিনন্দন জনাইছো আৰু শ্ৰীশইকীয়াৰ দেৱৰ জয়যুক্ততাৰ প্ৰতি অভিনন্দন জনালো।

**Mr. Speaker** : Now I Congralutate Shri Jogen Saikia on his being elected to the most highly honoured position of Deputy Speaker of this august House. I hope he will discharge his duties in the House with impartiality, without fear or favour. May God bless him in his new assignment.

Shri Jogen Saikia : মাননীয় অধ্যক্ষ মহোদয় মই আপোনালৈ আৰু সদনৰ যি সকলে মোৰ আজিৰ নিৰ্ব্বাচনত জয়লাভৰ বাবে মৰম আৰু সহানুভুতি জনাই দুষাৰ কথা কলে ভেখেত সকলৰৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ। লগতে মোক এই পদলৈ নিৰ্ব্বাচন কৰা বাবে সদনৰ সকলো সদস্যলৈ কৃতজ্ঞতা জনালো। ব্যক্তিগত ভাৱে মই এই পদৰ কাৰণে লালায়িত নাছিলো। অকল এই পদ কিয়, জীৱনত কোনো পদৰ কাৰণেই কোনো দিনে লালায়িত হোৱা নাছিলো। মই এই সদনৰ নতুন সদস্য ; গতিকে সদনৰ কাৰ্য্য পৰিচালনা লগতে মই ভালদৰে পৰিচিত নহয়, মোৰ চিনাকী মাত্ৰ যোৱা ৩ বছৰহে। তদুপৰি সদাই দলীয় ৰাজনীতিৰ কাম কৰি অহা বাবে এনে এটা দল নিৰপেক্ষ কাম কৰিবলৈ মনৰ যেনে অৱস্থিতি লাগে সিও মোৰ নাই। গতিকে মোৰ উপযুক্ততাত মই নিজেই সন্দেহ কৰো। তথাপি অভিজ্ঞতা থকা সদস্য সকলে মোক যিহেতু নিৰ্ব্বাচন কৰি দিছে মই এই দায়িত্ব গ্ৰহণ কৰিছোঁ আৰু মই মোৰ সাধ্যানুযায়ী এই পদৰ পৱিত্ৰতা আৰু মান ৰক্ষা কৰিবলৈ চেষ্টা কৰিম। নিৰ্দ্দলীয় মনোভাৱেৰে মোৰ কাৰ্য্যভাৰ চলাই যাবলৈ মই সততেই সচেষ্টা হম আৰু মোৰ কাৰ্য্যৰদ্বাৰা উক্ত পদৰ যাতে মৰ্য্যদা হানি নহয় তাৰ বাবে মই যত্ন কৰিম। এই প্ৰচেষ্টাত সকলো পক্ষৰে সহায় সহযোগিতা কামনা কৰি মোৰ কবলগীয়া শেষ কৰিলো।

## Leave of absence to Shri Dev Kant Borooah, M.L.A

Mr, Speaker : I hereby inform the House that Shri Dev Kant Barooah, an elected Member of the Assam Legislative Assembly representing Samaguri Constituency has duly submitted an application for leave of absence from the Assam Legislative Assembly which reads as follows :

"Regret inability to attend Assembly due to heart attack stop Selicit grant leave of absence from House for this session."

I think the House will grant leave of absenc prayed for in the application.

Is it the sense of the House that the leave of absence be granted to the hon. member?

Voices : Yes.

Mr. Speaker: Leave is granted-

## Re: Reception to the Mountaineering Expedition Team of Assam

I request the hon. Members to go to Room No: 14, where we are arranging a reception to the mountaineering expedition team of Assam'

## ADJOURNMENT

The Assembly then adjourned till 10 A. M. on Monday the 16th November 1970.

U. Tahbildar,
Secretary,
Legislative Assembly, Assam

Shillong
The 13th Nov, 1970